অসম চৰকাৰ
GOVERNMENT OF ASSAM

# মাধ্যমিক শিক্ষা সঞ্চালকালয়, অসম

কাহিলিপাৰা, গুৱাহাটী - ৭৮১০১৯

QR Code to download Bidyarthi mobile app

## - জাননী -

### অসম চৰকাৰৰ ২০২৩-২৪ বৰ্ষৰ অধীনৰ চৰকাৰী, প্ৰাদেশীকৃত আৰু ব্যক্তিগত বিদ্যালয়ত অধ্যয়নৰত দশম, একাদশ আৰু দ্বাদশ শ্ৰেণীৰ সংখ্যালঘু ছাত্ৰীসকলৰ বাবে জলপানি

অসম চৰকাৰৰ বিশেষ জলপানি আঁচনিৰ অধীনত বিদ্যালয় শিক্ষা বিভাগৰ অন্তৰ্গত দশম, একাদশ আৰু দ্বাদশ শ্ৰেণীত অধ্যয়নৰত সংখ্যালঘু ছাত্ৰীসকলৰ পৰা আবেদন বিচৰা হৈছে। এই আঁচনিৰ অধীনত চৰকাৰী, প্ৰাদেশীকৃত আৰু ব্যক্তি গত খণ্ডৰ বিদ্যালয়ত অধ্যয়নৰত **দশম শ্ৰেণীৰ ছাত্ৰীসকলৰ বাবে বছৰি ২০০০/- (দুই হাজাৰ) টকা আৰু একাদশ-দ্বাদশ শ্ৰেণীৰ ছাত্ৰীসকলৰ বাবে ৪০০০/- (চাৰি হাজাৰ)** টকা আগবঢ়োৱা হ'ব।



**আবেদনৰ বাবে নিয়মাৱলী ঃ**

- ছাত্ৰীসকল সংখ্যালঘু হোৱাটো বাঞ্চনীয়।
- ছাত্ৰীসকল ২০২৩-২৪ বৰ্ষত দশম, একাদশ তথা দ্বাদশ শ্ৰেণীত অধ্যয়ন কৰি থকা হ'ব লাগিব।
- ছাত্ৰীসকল চৰকাৰী, প্ৰাদেশীকৃত, অ-প্ৰাদেশীকৃত তথা চৰকাৰী স্বীকৃতিপ্ৰাপ্ত ৰাজহুৱা বা ব্যক্তিগত খণ্ডৰ বিদ্যালয় বা মহাবিদ্যালয়ত অধ্যয়ন কৰি থকা হ'ব লাগিব।
- আবেদনকাৰীৰ পৰিয়ালৰ সৰ্বোচ্চ দুগৰাকী ছাত্ৰীয়েহে এই আঁচনিৰ অধীনত আবেদন কৰিব পাৰিব।
- আবেদনৰ বাবে "আধাৰ কাৰ্ড" বাধ্যতামূলক।

**আবেদনৰ প্ৰক্ৰিয়া ঃ**

- মাধ্যমিক শিক্ষা সঞ্চালকালয়ৰ ৱেবচাইট www.madhyamik.assam.gov.in আৰু https://bidyarthi.co.in ৰ জৰিয়তে আবেদন কৰিব পাৰিব।
- Google Play Store ৰ পৰা "Bidyarthi" মোবাইল এপ download কৰি তাৰ সহায়তো আবেদন কৰিব পাৰিব।

**আবেদনকাৰীৰ কৰণীয় আৰু অন্তিম তাৰিখ ঃ**

- **অন্তিম তাৰিখ ঃ ৩০ ছেপ্টেম্বৰ, ২০২৩**
- বিদ্যালয় সমূহৰ প্ৰধান শিক্ষকে তেখেতৰ বিদ্যালয়ত দশম শ্ৰেণীৰ পৰা দ্বাদশ শ্ৰেণীত পঢ়ি থকা কেৱল সংখ্যালঘু সম্প্ৰদায়ৰ ছাত্ৰীসকলৰ পঞ্জীয়ন কৰাব লাগিব।
- আবেদনৰ নিয়মাৱলী "Bidyarthi" মোবাইল এপ আৰু মাধ্যমিক শিক্ষা সঞ্চালকালয়ৰ website ত উপলব্ধ।

**পঞ্জীয়নৰ সময়ত মন কৰিবলগীয়া ঃ**

১. Bank Pass Book (ছাত্ৰ-ছাত্ৰীৰ নিজৰ নামত থকা হ'ব লাগিব।)
২. Aadhar No. (আধাৰ নম্বৰ)
৩. একোটা পৰিয়ালৰ সৰ্বাধিক দুই গৰাকী ছাত্ৰীৰহে আবেদন কৰিব পাৰিব।
৪. পৰিয়ালৰ বছৰেকীয়া আয়ৰ কোনো সীমা নাই।



**আবেদন প্ৰক্ৰিয়াৰ সূচী ঃ**

| Application Process by the Institution | | Data Verification by the Inspector of School | | Data Submission by the Inspector of School to DSE | |
|---|---|---|---|---|---|
| From | To | From | To | From | To |
| 10/08/2023 | 30/09/2023 | 15/10/2023 | 30/10/2023 | 05/11/2023 | 20/11/2023 |

ET Branch, Room No. 48
Directorate of Secondary Education, Assam
Kahilipara, Guwahati - 781019
E-mail: scholarships.assam@gmail.com
Phone No.: 9435-77-67-67 / 0361-355-8-170

সঞ্চালক
মাধ্যমিক শিক্ষা সঞ্চালকালয়, অসম